# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

**নং ঃ ১০৪/২০২০**

## জাপানৰ ৰাষ্ট্ৰদূতে সাক্ষাৎ কৰিলে মুখ্যমন্ত্ৰীক

**দিছপুৰ, ৩ মাৰ্চ ঃ** জাপানৰ ৰাষ্ট্ৰদূত চন্তোচি চুজুকীয়ে আজি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালক জনতা ভৱনত সাক্ষাৎ কৰে। সাক্ষাৎ কালত দুয়োগৰাকী নেতাই জাপান আৰু অসমৰ মাজত থকা শক্তিশালী আৰু বন্ধুত্বপূৰ্ণ সম্পৰ্ক সুদৃঢ় কৰাৰ দিশত একেলগে কাম কৰাৰ দিশত সহমত পোষণ কৰে।

ৰাজ্যখনৰ উন্নয়নৰ দিশত জাপানে আগবঢ়োৱা অবিৰত সহায়-সহযোগিতাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে জাপানৰ ৰাষ্ট্ৰদূত গৰাকীক জাইকাৰ সাহায্যপ্ৰাপ্ত গুৱাহাটী মহানগৰীৰ খোৱাপানী যোগানৰ প্ৰকল্প অতিশীঘ্ৰে সম্পন্ন কৰাৰ দিশটো চোৱা-চিতা কৰাৰ বাবেও আহ্বান জনায়। এই প্ৰসংগত জাপানৰ ৰাষ্ট্ৰদূত গৰাকীয়ে মুখ্যমন্ত্ৰীক জনাই যে তেওঁ নিজে প্ৰকল্পথলী পৰিদৰ্শন কৰিছে। তেওঁ লগতে কয় যে যদিও এই কামৰ অগ্ৰগতি সন্তোষজনক, তৎস্বত্তেও তেওঁৰ কাৰ্যালয়ে এই প্ৰকল্পটো দ্ৰুততাৰে সম্পন্ন হোৱাৰ দিশত জাপান আন্তৰ্জাতিক সহযোগিতা এজেন্সিৰ সৈতে সঘনাই যোগাযোগত থাকিব বুলিও কয়।

মুখ্যমন্ত্ৰী সোণোৱালে জাপানৰ ৰাষ্ট্ৰদূত গৰাকীৰ সৈতে পথ যোগাযোগ ব্যৱস্থা, জীৱিকাৰ সৃষ্টি, মহিলা সৱলীকৰণ, যুৱ মত-বিনিময়ৰ অনুষ্ঠান তথা দুয়োটা ভূখণ্ডৰ জনসাধাৰণৰ মাজত প্ৰত্যক্ষ যোগাযোগ ইত্যাদিৰ দৰে বিষয়সমূহো আলোচনা কৰে।

অসমৰ সৈতে জাপানৰ সহযোগিতা অক্ষুণ্ণ থকাৰ বিষয়ে দোহাৰি জাপানৰ ৰাষ্ট্ৰদূত গৰাকীয়ে ৰাজ্যখনৰ পথ প্ৰকল্প দলং, নিৰ্মাণখণ্ড, স্বাস্থ্য খণ্ড আৰু খাদ্য সংসাধন ইত্যাদিৰ দৰে ক্ষেত্ৰ সমূহত জাপানে বিনিয়োগ কৰাৰ বাবে আগ্ৰহী। জাপানীজ ভাষাৰ বিষয়ে সম্যক জ্ঞান থকা ৰাজ্যখনৰ যুৱ শক্তিক জাপানৰ নিতান্তই প্ৰয়োজন বুলি জাপানৰ ৰাষ্ট্ৰদূত গৰাকীয়ে মন্তব্য কৰাত মুখ্যমন্ত্ৰীয়ে দক্ষতা উন্নয়ন অভিযানৰ অধীনত ৰাজ্যখনত ২০০ গৰাকী যুৱক-যুৱতীক বিভিন্ন দক্ষতা বিকাশৰ দিশত প্ৰশিক্ষণ প্ৰদান কৰাৰ উপৰি জাপানীজ ভাষাৰ বিষয়েও প্ৰশিক্ষণ প্ৰদান কৰা হ'ব বুলি কয়।

ভাৰত আৰু জাপানৰ যুৱক-যুৱতীৰ বৰ্দ্ধিত মত-বিনিয়মৰ অনুষ্ঠানৰ বিষয়ে উল্লেখ কৰি জাপানৰ ৰাষ্ট্ৰদূত গৰাকীয়ে এই দিশত অসমৰ প্ৰতিনিধিৰ সংখ্যা বৃদ্ধি কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হ'ব বুলিও কয়। জাপানৰ প্ৰধানমন্ত্ৰী ভাৰত ভ্ৰমণৰ কাৰ্যসূচীৰ বিষয়ে উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে যোৱা বৰ্ষৰ ডিচেম্বৰত যদিও এই কাৰ্যসূচী পিছুৱাই দিয়া হৈছিল অসমে প্ৰধানমন্ত্ৰী গৰাকীক আদৰাৰ বাবে সম্পূৰ্ণ সাজু বুলিও কয়। অসম বৰ্তমান বিনিয়োগৰ এক অনুকূল স্থান বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী সোণোৱালে ঔদ্যোগিক নগৰীৰ বাবে ৬০০ একৰ ভূমি ধাৰ্য কৰা হৈছে বুলিও কয়। মুখ্যমন্ত্ৰীয়ে জাপান বহিঃ বাণিজ্য সংস্থাক অসমত বিনিয়োগৰ বাবে আগ্ৰহী কৰাৰ দিশত দৃষ্টি আকৰ্ষণ কৰিবলৈও জাপানৰ ৰাষ্ট্ৰদূতগৰাকীক আহ্বান জনায়।

আজিৰ এই সাক্ষাতৰ সময়ত মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামী, মুখ্যমন্ত্ৰীৰ আইন উপদেষ্টা শান্তনু ভৰালী, অতিৰিক্ত মুখ্য সচিব মনিন্দৰ সিং, মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব সঞ্জয় লোহিয়া, ভাৰতস্থিত জাপান দূতাবাসৰ সচিব মাচাতোচি কিকুচি উপস্থিত থাকে।

**সুঃদঃ / বঃভাঃ**
**০৩-০৩-২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com

/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in